**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-02-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ যোৰহাট আৰু লখিমপুৰত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন।

২। শ্ৰমিকসকলে এতিয়াৰে পৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আইনৰ অধীনত পূৰ্বৰ এশ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ কৰ্মসংস্থাপন লাভ কৰিব বুলি কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানৰ প্ৰকাশ।

৩। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ছেছন হলত আজি পৰিষদৰ অন্তৰৱৰ্তীকালীন বাজেট অধিবেশন।

৪। আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ গোচৰত জুবিন গাৰ্গৰ দুয়োগৰাকী দেহৰক্ষীৰ জামিন আবেদন নাকচ। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ক্ষন্তেক পাছতে শ্ৰীলংকা আৰু নিউজিলেণ্ড মুখামুখি।

০০০০০০

ৰাজ্যত সম্প্ৰতি মহিলাসকলৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি হৈছে আৰু প্ৰতিবছৰে চিকিৎসা বিজ্ঞান আৰু অভিযান্ত্ৰিক শাখাত নামভৰ্তি কৰা ছাত্ৰীৰ সংখ্যা নিৰন্তৰ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। যোৰহাটৰ নৱনিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰি আজি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে আত্মসহায়ক গোটৰ জৰিয়তে ৪০ লাখ মহিলাক সংগঠিত কৰিবলৈ সমৰ্থ হৈছে আৰু শিক্ষা, কৰ্মসংস্থাপন আৰু আত্মনিৰ্ভৰশীলতা আটাইকেইটা দিশতে বিগত ৫টা বছৰত নিৰ্ণায়ক সফলতা অৰ্জন কৰিছে। নতুন শিক্ষানীতিৰে পৰিচালিত বিশ্ববিদ্যালয়খনত ১৭টা বিভাগত ৪৪টা ডিগ্ৰী পাঠ্যক্ৰমৰ সুবিধা আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে ২৮ কোটি ৫০ লাখ টকা ব্যয়েৰে এই চৌহদ নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই বিশ্ববিদ্যালয়খনৰ বাবে আৰু ৭৫ কোটি টকাৰ অনুদান ঘোষণা কৰে। নাৰী শিক্ষাৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে চিহ্নিত উত্তৰ-পূব ভাৰতৰ প্ৰথমখন মহিলা বিশ্ববিদ্যালয়ৰ উন্নত আন্তঃগাঁথনিয়ে ছাত্ৰীসকলক শৈক্ষিক দিশত উপকৃত কৰাৰ লগতে উচ্চ শিক্ষাৰে মহিলা সৱলীকৰণৰ লক্ষ্যক নতুন গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, বিমল বৰাৰ উপৰি কেইবাগৰাকী সাংসদ, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত গোলাঘাট, যোৰহাট আৰু মাজুলী জিলাৰ ৫ হাজাৰ ৯৫৮ গৰাকী উদ্যমীৰ মাজত আঁচনিখনৰ প্ৰথম কিস্তিৰ ৫৯ কোটিতকৈ অধিক ধনৰাশি বিতৰণ কৰে। ডঃ শৰ্মাই এই অভিযানৰ অধীনত লখিমপুৰৰ ৩ হাজাৰ ৭৬ গৰাকী, ধেমাজিৰ এহেজাৰ ৭৯৯ গৰাকী উদ্যমীৰ মাজত ৪৮ কোটিৰো অধিক ধনৰাশি বিতৰণ কৰে। অনাগত সময়ত এই অভিযানৰ দ্বাৰা ১০ লাখৰো অধিক উদ্যমীক সামৰি লোৱাৰ পৰিকল্পনাৰ বিষয়েও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ৰ নতুন শৈক্ষিক ভৱন ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। ১৭ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই শৈক্ষিক ভৱনে অঞ্চলটোৰ লগতে বিভিন্ন ঠাইৰ আইনৰ শিক্ষাৰ্থীসকলৰ বাবে উন্নত শৈক্ষিক আন্তঃগাঁথনিৰে গুণগত শিক্ষা লাভত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। তদুপৰি ৯ কোটি টকা ব্যয়সাপেক্ষে গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ অধীনত মৰিয়নিৰ চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয় আৰু মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনো মুকলি কৰে।

ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকী লখিমপুৰলৈ যায় আৰু তাত তেওঁ ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন মাত্ৰা সংযোজনেৰে নৱনিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰে। দুটা পৰ্যায়ত নিৰ্মাণ কৰা এই ক্ৰীড়া প্ৰকল্পত ট্ৰাঞ্জিত ভৱন, ইনড'ৰ ষ্টেডিয়াম, কৰ্মচাৰীৰ আৱাসগৃহ, দুখন লন টেনিছ ক'ৰ্ট, এখন ভলীবল ক'ৰ্ট, ক্ৰিকেট ষ্টেডিয়াম আৰু ফুটবল ষ্টেডিয়ামৰ সুবিধা আছে। ডঃ শৰ্মাই এই ক্ষেত্ৰৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

০০০০০০

শ্ৰমিকসকলে এতিয়াৰে পৰা বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আইনৰ অধীনত পূৰ্বৰ এশ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ কৰ্মসংস্থাপন লাভ কৰিব আৰু তেওঁলোকে সময়মতে মজুৰী নাপালে চৰকাৰে সুতসহ ধন আদায় দিব। মাজুলীৰ গড়মুৰৰ সংহত আয়ুক্তৰ কাৰ্যালয়ত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ শীৰ্ষক আলোচনাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে আজি এই কথা সদৰি কৰে। তেওঁ কয় যে খেতিৰ বতৰত কৃষকসকলে যাতে শ্ৰমিকৰ অভাৱত ভূগিবলগীয়া নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এই ব্যৱস্থাৰ অধীনত ৬০ দিনৰ কাম বন্ধ ৰাখি শ্ৰমিকসকলক কৃষি কৰ্মত নিয়োজিত হোৱাৰ সুযোগ প্ৰদান কৰা হৈছে। তেওঁ লগতে চৰকাৰে ১৫ দিনৰ ভিতৰত শ্ৰমিকক মজুৰী দিব নোৱাৰিলে সূদৰ সৈতে সেই ধন প্ৰদান কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে সমগ্ৰ প্ৰক্ৰিয়াটো স্বচ্ছ কৰি তোলাৰ উদ্দেশ্যে শ্ৰমিকসকলৰ বাবে কে ৱাই চি বাধ্যতামূলক কৰা হৈছে আৰু গোটেই ব্যৱস্থাটো এশ শতাংশ ডিজিটেল কৰাৰ দিবা কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে বিকশিত ভাৰত গ্ৰামীন নিয়োগ নিশ্চিতকৰণ আঁচনিৰ  ক্ষেত্ৰত পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ পুজিৰ অনুপাত পূৰ্বৰ দৰে ৯০-১০ শতাংশ হৈ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ইয়াৰ পূৰ্বে দুদিনীয়া ভ্ৰমণসূচীৰে কালি মাজুলীত উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে গড়মুৰৰ সংহত আয়ুক্ত কাৰ্যালয়ত জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয় আৰু গ্ৰামোন্নয়ন ক্ষেত্ৰত বিভিন্ন আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে ৰঙাচাহি ৰাজ্যিক চিকিৎসালয় পৰিদৰ্শন কৰি আৰু প্ৰধানমন্ত্ৰী গ্ৰামীন চড়ক যোজনা অধীনত নিৰ্মাণ কৰা মধুৰপুৰ - পুৰণিবাৰী সংযোগী পথটোৰো বুজ লয়।

oooooo

কাৰ্বি আলং স্বায়ত্ত শাসিত পৰিষদৰ ছেছ্‌ন হলত আজি পৰিষদৰ অন্তৰ্বৰ্তীকালিন বাজেট অধিবেশন অনুষ্ঠিত হয়। বিত্ত বিভাগৰ দায়িত্বত থকা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অহা ৩১ জুলাইলৈ পৰিষদৰ দৰমহা আৰু অন্যান্য ব্যয়ৰ বাবে ৫ হাজাৰ ৬৫৩ লাখ ৫১ হাজাৰ টকাৰ অন্তৰ্বৰ্তীকালিন বাজেট দাখিল কৰে। বাজেট দাখিল কৰি শ্ৰীৰংহাঙে কয়, যে ৩১ জুলাইলৈকে চৰকাৰী কৰ্মচাৰীৰ দৰমহা শিতানৰ ব্যয়ৰ বাবে ৫ হাজাৰ ৬৫৩ লাখ ৫১ হাজাৰ কোটি টকাৰ বাজেট ধাৰ্য কৰা হৈছে। পাছত সদনে সৰ্বসন্মতিক্ৰমে বাজেটত অনুমোদন জনায়।

oooooo

বিশেষ ন্যায়াধীশৰ আদালতে আজি আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ গোচৰত জুবিন গাৰ্গৰ দেহৰক্ষী পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন আবেদন নাকচ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ পাছতে বিশেষ তদন্তকাৰী গোটে অসম আৰক্ষীৰ চাকৰিয়াল পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ বেংক একাউণ্টত লাখ লাখ টকা জমা হোৱাৰ তথ্য পোহৰলৈ আনিছিল। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীৰ তদাৰকী কোযে দেহৰক্ষী দুজনৰ বিৰুদ্ধে আয়ৰ জ্ঞাত উৎসতকৈ অধিক সম্পত্তি আহৰণৰ গোচৰ ৰুজু কৰিছিল।

oooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই গুৱাহাটীত আজি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে দিনৰ ভাগত গুৱাহাটী পৌৰ নিগমৰ অধীনৰ নৱনিৰ্মিত বেলতলা দৈনিক বজাৰ গৃহ উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে এই বজাৰখনৰ স্থায়ী গৃহ নিৰ্মাণৰ বাবে ক্ৰেতা আৰু বিক্ৰেতাসকলে দীৰ্ঘদিন ধৰি সমস্যাৰ সন্মুখীন হৈ অহাৰ উপৰি বজাৰখনৰ বাবে যানজঁটৰ সমস্যাও দিনে দিনে বৃদ্ধি পাই আহিছিল। শ্ৰীমল্লবৰুৱাই এই অনুষ্ঠানৰ পৰাই গুৱাহাটী পৌৰ নিগমৰ গণেশগুৰি বজাৰ গৃহৰো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ বৰাগাঁৱত নগৰীয়া বনাঞ্চলৰ গছপুলি ৰোপণ কাৰ্যসূচীত অংশ লয়। মন্ত্ৰীগৰাকীয়ে আজি বৰাগাঁৱত বৰষুণৰ পানী নিষ্কাষণ কৰা নলাৰ আধাৰশিলা স্থাপন কৰি কয়, যে ইয়াৰ ফলত কৃত্ৰিম বানৰ সমস্যাৰ পৰা সকাহ পোৱা যাব —

**বাইট (জয়ন্ত মল্লবৰুৱা)**

তেওঁ লগতে আমিনগাঁৱত থকা মহাবীৰ চিলাৰায় উদ্যানৰ পুনৰ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উদ্যানখন পৰৱৰ্তী সময়ত কোচ বংশৰ ৰাজহাউলীৰ দৰে নিৰ্মাণ কৰাৰ লগতে কমতাপুৰৰ আৰ্হিৰে নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে।

oooooo

নগাঁও চহৰৰ যাতায়াত ব্যৱস্থা অধিক সুচল কৰি তোলাৰ বাবে আজিৰে পৰা চহৰখনত নতুনকৈ চিটী বাছ সেৱা মুকলি কৰা হৈছে। নেহৰুবালিত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু জিলা পৰিবহণ বিষয়া সীমান্ত বৰা উপস্থিত থাকে। প্ৰথম পৰ্যায়ত জিলা প্ৰশাসন আৰু জিলা পৰিবহণ বিভাগে মুঠ ৬ খন বাছৰ জৰিয়তে তিনিটা মুখ্য সংযোগী পথত চিটী বাছৰ সেৱা প্ৰদান কৰিব। প্ৰতিদিনে পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ চিটী বাছ সেৱা উপলব্ধ হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অংশকালীন সংবাদদাতাসকলে আজি বাতৰি বিভাগৰ উপ-সঞ্চালক তথা মুৰববী ৰাজীৱ লোচন বৰঠাকুৰক বিদায় সম্ভাষণ জনায়। কেন্দ্ৰৰ সন্মিলন কক্ষত আয়োজিত এটা অনুষ্ঠানত কেইবাগৰাকীও সংবাদদাতাই শ্ৰীবৰঠাকুৰৰ বৰ্ণময় কৰ্মজীৱনৰ কেইবাটাও দিশৰ ওপৰত আলোকপাত কৰে। সম্বৰ্ধনাৰ উত্তৰত শ্ৰীবৰঠাকুৰে সুদীৰ্ঘ সাংবাদিক জীৱনত লাভ কৰা অভিজ্ঞতাৰে সংবাদদাতাসকলক উদ্বুদ্ধ কৰাৰ ক্ষেত্ৰত তেওঁ যৎপৰোনাস্তি চেষ্টা চলোৱা বুলি উল্লেখ কৰে। অনুষ্ঠানত ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া সতীশ চন্দ্ৰ তালুকদাৰ উপস্থিত থাকি শ্ৰীবৰঠাকুৰৰ অনাগত জীৱন কৰ্মময় হোৱাৰ কামনা কৰে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ মাৰ্চত শিলচৰ ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি কাছাৰ জিলা প্ৰশাসনে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং, মন্ত্ৰী কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালে আজি প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া সভাস্থলী পৰিদৰ্শন কৰে। তেওঁলোকে ৰামনগৰ বাইপাচ এলেকাৰ সভাস্থলী, নিৰাপত্তা ব্যৱস্থা, যান বাহন নিয়ন্ত্ৰণ আৰু অন্যান্য প্ৰস্তুতিৰ বুজ লয়। ইয়াৰ পাছত কাছাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ৰাজ্যৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু মন্ত্ৰী দুগৰাকীৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

oooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অহা ২৭ ফেব্ৰুৱাৰীত ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত কেইবাটাও গুৰুত্বপূৰ্ণ অন্তৰ্দেশীয় জলপথ আন্তঃগাথনি প্ৰকল্পৰ উদ্বোধন কৰিব। ইয়াৰ ভিতৰত বগীবিল আৰু ধুবুৰীৰ সীমাশুল্ক আৰু ইমিগ্ৰেছন চৌহদ আৰু ডিব্ৰুগড়ৰ ঐতিহ্য ভৱন অন্যতম। এই প্ৰকল্পসমূহে অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য, পৰ্যটন আৰু যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

ooooo

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত কাইলৈৰ পৰা এক মাৰ্চলৈ ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আয়োজন কৰা হৈছে। অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৭৫ খন বিপনীয়ে অংশগ্ৰহণ কৰিব। বিপনীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। কৃষি মন্ত্ৰী অতুল বৰাৰ পৃষ্ঠপোষকতাত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য বিদ্যুৎ চন্দন ডেকা আৰু কৃষি বিভাগৰ শীৰ্ষ বিষয়াসকলৰ পৰামৰ্শ মৰ্মে এই মেলা পৰিচালনাৰ বাবে এখন আয়োজক সমিতি গঠন কৰা হৈছে। অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই এই মেলা মুকলি কৰিব। উল্লেখযোগ্য যে অসমত প্ৰচুৰ লাভৰ সম্ভাৱনা থকা উদ্যান শস্যৰ ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে অসম উদ্যান শস্য সমিতিয়ে ১৯৯৫ চনত প্ৰথমবাৰৰ বাবে মেলাৰ আয়োজন কৰিছিল। এই মেলাত প্ৰথম অৱস্থাত পুলি বাগানকো প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ পাছত দুবাৰ আন্তৰ্জাতিক উদ্যান শস্য

মেলাও অনুষ্ঠিত হয়। এইবাৰৰ মেলাত পুস্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফল-মূল, চাদৰ ওপৰত কৰা বাগিছা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনা চক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হ'ব।

oooooo

ধুবুৰীৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ আৰু গদাধৰ নৈৰ সংগমস্থলীৰ শিল এচটাত উদ্ধাৰ হোৱা নেতাই ধুবুনীৰ পদচিহ্ন বিজ্ঞান সন্মত আৰু অত্যাধুনিক ৰূপত সংৰক্ষণ কৰাৰ বাবে খিলঞ্জীয়া সুৰক্ষা বাহিনী অসমে ৰাজ্য চৰকাৰক আহ্বান জনাইছে।

oooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-টুৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ক্ষন্তেক পাছতে কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। শ্ৰীলংকাই টছত জিকি নিউজিলেণ্ডক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

oooooo

ঃঃ সমাপ্ত ঃঃ